তীৰ্থনাথ শৰ্মাৰ 'সাহিত্য বিদ্যা পৰিক্রমা' পুথিৰ ছন্দ সম্পৰ্কীয় লেখাখিনি পঢ়িবা। ইয়াৰ পৰা, হ'ব পৰা চমু প্রশ্নবোৰ আঁচ টানি দেখুৱাই দিয়া হৈছে।

# ছন্দ

ছন্দকো কাব্যৰ শব্দাৰ্থশৰীৰৰ অলংকাৰ বুলি কব পাৰি। শব্দৰ বিন্যাসপ্ৰকাৰৰ ফলত ওপজা সৌন্দৰ্যই ছন্দ। অনুপ্ৰাস আদি শব্দালংকাৰৰ নিচিনাকৈ ছন্দয়ো কাব্যক গীতৰ মাধুৰ্য দান কৰে। এই দৃষ্টিৰে গমি চালে ছন্দকো কাব্যৰ শব্দাৰ্থশৰীৰৰ অলংকাৰ বোলাত তত্ত্বতঃ একো বাধা নাই। অন্ত্যানুপ্ৰাসৰ (Rhyme) অলংকাৰত স্বীকৃতিয়েই ছন্দৰ অলংকাৰধৰ্মত্বৰ প্ৰমাণ কৰিছে।

ছন্দৰ মূল কথা সংযম। স্বচ্ছন্দ গতিৰে বৈ যোৱা জুৰিটিয়ে যেতিয়া উপলখণ্ডত বাধা পায়, তাৰ অসংযত বেগ সংযত হয়। এই অবাধ গতিৰ সংযমত জুৰিৰ গাত নৃত্যভংগিমাৰ হিল্লোল উঠে, কুলুধ্বনিৰ মাধুৰ্য দুগুণে বৃদ্ধি পায়। যথা ইচ্ছা বৈ যোৱাৰ বোম্বাল গতিক নিয়মিত কৰি লয় সমন্বিত কৰাই ছন্দৰ কাম। ছন্দৰ লাগতিয়াল অংগ যতিৰো ধাতুগত অৰ্থ সংযম— যম্ + ক্তিন্। অবাধ উক্তিৰ গতি নিয়মিত কৰা হয় সময়ৰ জোখেৰে। ইংৰাজীৰ metre আৰু সংস্কৃত মাত্ৰাশব্দৰ ধাতুগত মূল অৰ্থ একে— জোখা। ছন্দ আৰু সংগীতত ইংৰাজী measure (জোখ) শব্দটো এটা প্ৰয়োজনীয় শব্দ। অবাধ উক্তিক সংযত কৰি সুন্দৰ কৰাৰ উপায় সময়ৰ জোখ। পিছে ভাষাত সময়ৰ জোখ উলিয়াবলৈ তুলাযষ্টি কি?

এই তুলাযষ্টি তিনি প্ৰকাৰ— অক্ষৰসংখ্যা, মাত্ৰাসংখ্যা আৰু স্বৰাঘাত সংখ্যা। ভাষাৰ উচ্চাৰণগত বৈশিষ্ট্য অনুসৰি ইয়াৰ যিকোনো এটাই প্ৰাধান্য লাভ কৰে। যি প্ৰকাৰে ছন্দত সময়ৰ জোখ কৰা হয় সেই অনুসাৰে ছন্দৰ শ্ৰেণী বিভাগ কৰা হয়। সংস্কৃত আৰু ভাৰতীয় ভাষাবোৰত শব্দৰ উচ্চাৰণত হ্ৰস্ব দীৰ্ঘ আৰু গুৰু লঘুৰ প্ৰাধান্য আছে, সেইদেখি ইয়াৰ ছন্দত হ্ৰস্বদীৰ্ঘনিয়মিত অক্ষৰ সংখ্যাই ছন্দৰ প্ৰকাৰ নিৰ্ণয় কৰে অথবা গুৰু লঘু মাত্ৰাৰ সংখ্যাই ছন্দ নিয়মিত কৰে। ইংৰাজী ভাষাৰ শব্দৰ উচ্চাৰণত স্বৰাঘাতৰ প্ৰাধান্য বেছি। স্বৰাঘাতৰ স্থান পৰিৱৰ্তন হলে শব্দৰ কেতিয়াবা অৰ্থই সলনি হয়। সেই দেখি ইংৰাজী ছন্দই স্বৰাঘাতৰ লেখ মতে ৰূপ লয়। এটা কথা এইখিনিতে উনুকিয়াই যোৱা ভাল হব যে অক্ষৰ ছন্দ বুলিলে অক্ষৰ প্ৰধানহে, অক্ষৰ সৰ্বস্ব নহয়। মাত্ৰা ছন্দতো যে যথা ইচ্ছা অক্ষৰ বঢ়াব-কমাব পাৰি সিও নহয়। স্বৰাঘাতমূলক ছন্দতো অক্ষৰ বা syllable-ৰ নিয়ম থাকিবই। প্ৰাধান্যৰ ভেটিতহে ছন্দবোৰৰ প্ৰকাৰৰ বিভাগ কৰা হয়।

অক্ষৰ (syllable) ঃ এটা শব্দৰ যিখিনি এক প্ৰযত্নতে অৰ্থাৎ জিভাৰ এক দোৰোলাতে উচ্চাৰিত হয় সেইখিনিক অক্ষৰ (syllable) বোলে। এটা শুদ্ধ স্বৰবৰ্ণ

বা এটা বা ততোধিক সস্বৰ ব্যঞ্জনেই অক্ষৰ। বৰ্ণ আৰু অক্ষৰ একে নহয়, যেনে— ‘প্ৰশ্ন’ এই শব্দটোত প্ ৰ্ অ শ্ ন্ অ এই কেইটা বৰ্ণ আছে, কিন্তু অক্ষৰ হ’ল প্ৰশ্ আৰু ন। সেইদৰে ক্ৰন্দন বোলোঁতে বৰ্ণ আছে ক্ ৰ্ অ ন্ দ্ অ ন্ অ এই কেইটা অক্ষৰ হ’ল ক্ৰন্ দ ন এই তিনিটা। পিছে সংস্কৃতত ছন্দৰ প্ৰয়োজনত অক্ষৰ সংখ্যা লওঁতে গণনাৰ সুবিধাৰ্থে ক্ৰন্দন এইৰূপে অক্ষৰ বুলি গ্ৰহণ কৰে। অসমীয়া পদগোৱাৰ উচ্চাৰণ মতেও ‘ক্ৰন্দন’ শব্দটোত তিনিটা অক্ষৰ (syllable)। আধুনিক অসমীয়া অক্ষৰ ছন্দতো ক্ৰ ন্দ ন্ তিনিটা অক্ষৰ বুলিলে ভুল হব কাৰণ আধুনিক উচ্চাৰণ মতে ক্ৰন্দন্হে আৰু তেতিয়া অক্ষৰ হব ক্ৰন্ দন্ এই দুটা। পিছে তথাপি অক্ষৰ ছন্দত তিনিটা অক্ষৰ বুলিয়ে গণনা কৰা হয়; কাৰণ অসমীয়াত হসন্ত উচ্চাৰণ ইমান বেছি যে প্ৰকৃত সূত্ৰমতে অক্ষৰ গণনা কৰিলে সমতা নাথাকে। তথাপি উচ্চাৰণকালৰ সমতা কবিতা গাই যাওঁতে ৰক্ষা পৰে। উদাহৰণ এটা লোৱা যাওকঃ

‘সিদিনাৰ অযোধ্যাৰ ক্ৰন্দন ধূমত।  
দেখিলেনে কোনোবাই তোমাৰ প্ৰাণত।  
জ্বলিল কি বহ্নি বাৰু ললে নে খবৰ।  
জ্বলি পুৰি কিবা হ’ল এখনি অন্তৰ।’

ইয়াক প্ৰকৃত অক্ষৰানুসাৰে ভাঙিলে এনে হব ঃ

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ |
|---|---|---|---|---|---|---|---|---|---|
| সি | দি | নাৰ | অ | যোধ | য়াৰ | ক্ৰন্ | দন্ | ধূ | মত্ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ |
|---|---|---|---|---|---|---|---|---|---|---|
| দে | খি | লে | নে | কো | নো | বাই | তো | মাৰ্ | প্ৰা | ণত্ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| জ্ব | লিল্ | কি | বহ্ | নি | বা | ৰু | ল | লে | নে | খ | বৰ |

| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ | ১০ | ১১ | ১২ |
|---|---|---|---|---|---|---|---|---|---|---|---|
| জ্ব | লি | পু | ৰি | কি | বা | হ্ল | এ | এখ | নি | অন্ | তৰ্ |

এতিয়া দেখা গ’ল প্ৰথম শাৰীত সূত্ৰানুসৰি অক্ষৰ (syllable) দহটা, দ্বিতীয় শাৰীত এঘাৰটা আৰু তৃতীয় শাৰীত বাৰটা আৰু চতুৰ্থ শাৰীতো বাৰটা। অক্ষৰ সংখ্যানুসাৰে শাৰীবোৰ বিষম। কিন্তু অসমীয়া ছন্দৰ সাধাৰণ ৰীতি অনুসৰি আখৰ চৈধ্যটাকৈ প্ৰত্যেক শাৰীতে আছে। এক প্ৰযত্ন অক্ষৰৰ সংখ্যা অসমান হোৱাত ছন্দৰ পতন হোৱা নাই, ইপিনে চৈধ্য আখৰীয়া নিয়ম নিখুঁতভাৱে ৰৈ গৈছে। মাত্ৰা গণনা কৰিলেও এনে চৈধ্য আখৰীয়া ছন্দত মাত্ৰা সংখ্যাৰ মিল সদায় পোৱা নাখায়, তথাপি চৈধ্যটা আখৰৰ সমতাই একোটা পাদক সমকালতা দান কৰিছে। ই অসমীয়া ভাষাৰ স্বকীয় উচ্চাৰণ বৈশিষ্ট্যৰ ফলত সম্ভৱ হৈছে। হিন্দীত এনেকৈ আখৰ গণনাৰে ছন্দ সম্ভৱ নহয়। গতিকে অসমীয়াত এইবোৰক অক্ষৰছন্দ বোলাৰ

হেতু আছে আৰু অসমীয়া ছন্দৰ প্ৰয়োজনত যুক্ত অযুক্ত স্বদ্বৰ ব্যঞ্জন, অস্বৰ ব্যঞ্জন আৰু শুদ্ধস্বৰ প্ৰত্যেককে অক্ষৰ বুলি ধৰিলে সূত্ৰ দিয়া সুকৰ হব আৰু অযথা জটিলতাৰ হাত সাৰিব পাৰি। কোনো কোনো ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম ঘটিব পাৰে। সেইবোৰ যথাস্থানত উনুকিওৱা হব। সংস্কৃত ভাষাত হ্ৰদ্বদীৰ্ঘৰ উচ্চাৰণৰ নিয়ম কটকটীয়া। সংস্কৃত অক্ষৰ ছন্দত হ্ৰস্বদীৰ্ঘ অক্ষৰৰ স্থান নিৰ্দিষ্ট থাকে আৰু সমুদায় চৰণৰ অক্ষৰ সংখ্যা আৰু চৰণৰ ভিতৰত পৰা বিৰাম স্থানৰ নিৰ্দেশো অক্ষৰ সংখ্যানুসাৰেই কৰা হয়। সেই কাৰণে অক্ষৰ সংখ্যাৰ প্ৰাধান্য থকা বাবে ইয়াক অক্ষৰছন্দ বোলে। অসমীয়াত হ্ৰস্বদীৰ্ঘৰ উচ্চাৰণ বিশেষ নাই। থাকিলেও তৰ্কিব নোৱাৰা বিধৰ। সেইকাৰণে অসমীয়া অক্ষৰ ছন্দত হ্ৰস্বদীৰ্ঘৰ বিন্যাসৰ কোনো নিয়ম নাই। সংযুক্তাক্ষৰৰ আগৰ অক্ষৰ সামান্য দীৰ্ঘ হয়। সেই দীৰ্ঘত্ব যদি সূক্ষ্ম ধৰণৰ হয় ছন্দত একো ব্যাঘাত নঘটায়। সি যদি পূৰ্ণ মাত্ৰাৰ দীৰ্ঘ উচ্চাৰণ হয় তেতিয়া ছন্দত বাধা ঘটায় আৰু সেই পৰিমাণে ছন্দৰ পতন ঘটে তেনে স্থলত অক্ষৰ হ্ৰাস হলেও ক্ষতি নহয়। অথবা তাক ভাঙি কোমল কৰি উচ্চাৰণ কৰাৰ প্ৰয়োজন দেখা যায়। অনুস্বৰ-যুক্ত শব্দৰ বেলিকা এই কথা খাটে। ৰংপুৰ— শব্দটো (ৰঙপুৰ) চাৰি আখৰীয়া যেন হয়।

'মুখৰিত হব জানো সহস্ৰ কোকিল কণ্ঠ
তেতিয়াও কুঞ্জ বিপনীত
মউপিয়াটিয়ে জানো মউ পিওঁ পিওঁ কৰি
তুলিবহি আৰাৰ প্ৰাণত?'

ইয়াত সহস্ৰ, কণ্ঠ, কুঞ্জ আদিত হ, ক আৰু কু এই অক্ষৰ কিটা উচ্চাৰণৰ সময়ত যৎকিঞ্চিৎ দীৰ্ঘ হয় তথাপি ছন্দৰ কাৰণে আহুকলীয়া হোৱা নাই। কিন্তু সংস্কৃতীয়া উচ্চাৰণ কৰিলে ছন্দপতন হব।

মাত্ৰা ঃ এটা অক্ষৰৰ উচ্চাৰণকালকে মাত্ৰা বোলে। হ্ৰস্ব অক্ষৰৰ এক মাত্ৰা আৰু দীৰ্ঘ অক্ষৰ দুই মাত্ৰা উচ্চাৰণকাল। অনুস্বৰ বিসৰ্গযুক্ত অক্ষৰো দীৰ্ঘ গতিকে দুই মাত্ৰা। সংযুক্তাক্ষৰৰ পূৰ্বৰ অক্ষৰো দুই মাত্ৰিক। সংস্কৃতত অ, ই, উ, ঋ, ঌ হ্ৰস্বস্বৰ। আ, ঈ, ঊ, ৠ, এ, ঐ, ও, ঔ এই কেইটা দীঘস্বৰ। অসমীয়াত ঐ আৰু ঔ এই দুটাৰ বাহিৰে আটাইবোৰ হ্ৰস্বভাৱেই উচ্চাৰিত হয়। ঐ আৰু ঔ অসমীয়াত 'দ্বিমাত্ৰিক আৰু সেইবাবে পদ্যত প্ৰায়ে ভাঙি লিখে। আগত দিয়া উদাহৰণত 'মৌপিয়াটিয়ে' নিলিখি 'মউপিয়াটিয়ে' বুলি লিখিছে। অসমীয়া অক্ষৰ ছন্দৰ ই দুই অক্ষৰৰ কাম দিয়ে। ঐ আৰু ঔ ৰ বাহিৰেও গাঁও, কওঁ, সেই আদি কিছুমান ঠাইত ও আৰু ই অৰ্ধমাত্ৰিকহে বুলিব লাগে। সংযুক্তাক্ষৰৰ আগৰ স্বৰ অসমীয়াত যৎসামান্য দীৰ্ঘ হয়। সকলো সময়ত সি দ্বিমাত্ৰিক জোখত নপৰে। এক মাত্ৰিক উচ্চাৰণ দুগুণ নহলে দ্বিমাত্ৰিক বুলি হিচাপ কৰাৰ কোনো অৰ্থ নহয়।

'সন্ধিয়াৰ আকাশৰ সৰু তৰাটিৰ
সাদৰৰ শেষ আৰাহন।'

ইয়াত 'ন্ধ' যুক্তাক্ষৰৰ আগত স আছে বুলি সি দীৰ্ঘ হোৱা নাই। কিন্তু 'তেওঁ কোন নিষ্ঠুৰ অনঙ্গ' এই পদ্যাংশত 'নিষ্ঠুৰ'ৰ নি আৰু 'অনঙ্গ'ৰ ন কিঞ্চিৎ দীৰ্ঘ হৈছে। সেইদেখি ই দ্বিমাত্রিক।

প্রকৃততে মাত্রাছন্দ হিন্দী আদি কিছুমান ভাষাৰ কাৰণে স্বভাৱ সিদ্ধ কিন্তু আধুনিক অসমীয়া অসমীয়া ভাষাৰ ছন্দত কেৱল বলবৃত্ততহে মাত্রাৰ লেখ থাকিব পাৰে। বলবৃত্ত কবিতা পাঠ কৰোঁতে স্থান বিশেষে স্বৰাঘাত দিব লগা হোৱাত মাত্রাৰ অধিকাৰত পৰি যায়। পুৰণি ব্রজাৱলী ঠাঁচত লিখা গীত আৰু ভটিমাৰ বাহিৰে প্রকৃত গুৰু লঘু সংখ্যাৰ হিচাপত হোৱা মাত্রাছন্দ অসমীয়াত দেখুৱাবলৈ যোৱা বৃথা। ব্রজাৱলীতো অক্ষৰৰ গুৰু লঘুৰ কোনো কটকটীয়া শাসন নাই। ছন্দৰ প্রয়োজন অনুসৰি স্থান বিশেষে গুৰু কৰিব লগা হয়।

আধুনিক অসমীয়াত উচ্চাৰণৰ মাত্রা যথাশ্রুতভাৱে একমাত্রা দুই মাত্রাৰ লঘু গুৰু পৰ্যায়ত পেলালে মাত্রাৰ সমতা নোলায় তাৰ প্রমাণ স্বৰূপে ওপৰত দিয়া পদ্য ফাকিৰ মাত্রা জুকিয়াই চালে বুজা যায়। কবিৰ পংক্তিবিন্যাস অনুসৰিয়ে দেখুওৱা হ'ল। ওপৰৰ কোৱামতে হলন্ত-সহ দুই মাত্রা ধৰা হৈছে।

| | || | | || |
সি দি নাৰ্ অযোধ্যাৰ্— ৯ মাত্রা

|| ||||
ক্র ন্দন্ ধূ মত্— ৬ মাত্রা

| | | | | | ||
দেখিলেনে কোনোবাই — ৮ মাত্রা

| || | ||
তোমাৰ্ প্ৰাণত্ — ৬ মাত্রা

দেখা গ'ল ইয়াত মাত্রা হিচাপে প্রত্যেক শাৰী বিষম। বিষম মাত্রিক হব পাৰে কিন্তু তাতো এটা নিয়ম থাকিব। ইয়াত গোটেই কবিতাটো ফঁহিয়াই লগত কোনো মাত্রাৰ নিৰিখ বিচাৰি পোৱা নাযাব। মাত্রা হিচাপে বিষম হলেও ছন্দ সমতালত আছে। ইয়াৰপৰাই প্রমাণ হয় এইবোৰৰ আচল জোখ ঠিক হোৱা নাই। উচ্চাৰণৰ বৈশিষ্ট্য অনুসাৰে এক বা দ্বিমাত্রিক বুলি ধৰাটো প্রকৃত জোখ হোৱা নাই। গতিকে মাত্রাৰ জোখত ছন্দৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ অসমীয়া উচ্চাৰণৰ মাত্রা জোখ সুকীয়া নিয়মে উলিয়াব লাগিব। আখৰৰ জোখেই সম্প্রতিকে এইবোৰৰ আচল জোখ।

যতি ঃ যি ঠাইত ৰলে শুনিবলৈ ভাল হয়, এটা লয় আহে, ঠিক সেইখিনিতে ৰোৱাকে যতি বোলে। যতি মানে বিৰাম। ই যেনিবা ছন্দৰ তাল। গানৰ তাল